হাতীপটিৰ তৰাবোৰৰ সন্মুখত উদ্ভাসিত হৈ আছে।

মহাকাশত নীহাৰিকা বা আন বস্তুত পখিলাৰ আকৃতি দেখাটো এয়েই প্ৰথম নহয়। প্ৰান্তিকৰ 'বিজ্ঞান-বৰ্ণালী'ত (১৬ এপ্ৰিল,



*মহাকাশত প্ৰজাপতি ঘটনা*

২০১৬) এই সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰা হৈছে। প্ৰজাপতি নীহাৰিকা, প্ৰজাপতি তাৰকাগুচ্ছ, সৌৰ কলংকত প্ৰজাপতিৰ ছবি আদিৰ আলোচনাই সেই লেখাত ঠাই পাইছে।

## অনলাইন কেলকুলেটৰে দিব আপোনাৰ ষ্ট্ৰ'কৰ আগজাননী

অলপতে চিকিৎসা-গৱেষকসকলে মানুহৰ বদ্ধৰক্ত ষ্ট্ৰ'কৰ (ischemic stroke) আগজাননী দিব পৰা এটা অনলাইন কেলকুলেটৰ উদ্ভাৱন কৰিছে। মগজুলৈ বোৱা ৰক্তপ্ৰৱাহ তেজৰ খলমা অথবা সোপামৰা ধমনীৰদ্বাৰা বাধাপ্ৰাপ্ত হ'লে বদ্ধৰক্ত ষ্ট্ৰ'ক হয়। ভাৰ্জিনিয়া বিশ্ববিদ্যালয় আৰু ফ্ল'ৰিডা বিশ্ববিদ্যালয়ৰ চিকিৎসক দুগৰাকীয়ে উদ্ভাৱন



*অনলাইন কেলকুলেটৰত ষ্ট্ৰ'কৰ আগজাননী*

কৰা এই ব্যৱস্থাই মানুহৰ বিপাকীয় সংলক্ষণৰ (metabolic syndrome) ভিত্তিত ষ্ট্ৰ'কৰ আশংকাৰ আগজাননী দিব পাৰিব। এই বিপাকীয় সংলক্ষণবোৰৰ ভিতৰত আছে উচ্চ ৰক্তচাপ, ক'লেষ্টেৰলৰ অস্বাভাৱিক মাত্ৰা, আৰু তলপেট আৰু কঁকালৰ চৌপাশে জমা হোৱা অতিৰিক্ত চৰ্বী।

অধ্যয়নটোত পোৱা গৈছে যে বিপাকীয় সংলক্ষণৰ তীব্ৰতা বাঢ়ি গ'লে আনকি বহুমূত্ৰত নোভোগা মানুহৰ ক্ষেত্ৰতো ষ্ট্ৰ'কৰ আশংকা যথেষ্ট বাঢ়ি যায়। চিকিৎসকে এই তথ্যৰাজি আৰু লগতে এটা স্ক'ৰিং আহিলা ব্যৱহাৰ কৰি ৰোগীৰ ষ্ট্ৰ'ক হোৱাৰ আশংকা চিনাক্ত কৰিব পাৰে, আৰু সেই আশংকা কমাবৰ বাবে পৰামৰ্শ দিব পাৰে। বদ্ধৰক্ত ষ্ট্ৰ'ক আৰু বিপাকীয় সংলক্ষণৰ মাজৰ সম্পৰ্কৰ মূল্যায়ন কৰিবলৈ গৱেষকসকলে আগতীয়াকৈ ১৩,০০০ৰো অধিক ব্যক্তিৰ সেই সংলক্ষণ আৰু তাৰ ফলত হোৱা ষ্ট্ৰ'কৰ ঘটনাৰ অধ্যয়ন কৰিছিল। সেই দলটোৰ অধ্যয়নৰ গড় সময় ১৮.৬ বছৰৰ ভিতৰত ৭০৯টা বদ্ধৰক্ত ষ্ট্ৰ'ক হৈছিল। তেওঁলোকে অংশগ্ৰহণকাৰী ব্যক্তিসকলৰ বিপাকীয় সংলক্ষণৰ তীব্ৰতাৰ জোখ ল'বলৈ সঁজুলিটোৰ সহায়ত পৰিসংখ্যাগত জোখ 'জেড-স্ক'ৰ' (Z scores) গণনা কৰিছিল।

## বিখ্যাত বিজ্ঞানী, বিচিত্ৰ কাহিনী

### বিজ্ঞানী হোমি ভাভাৰ অধ্যাপক শ্ৰীকান্তনৰ প্ৰতি উপদেশ

ড° হোমি জাহাংগিৰ ভাভা (Dr. Homi Jehangir Bhabha, ১৯০৯—১৯৬৬) আছিল ভাৰতৰ এগৰাকী বিশিষ্ট পদাৰ্থবিজ্ঞানী আৰু 'পৰমাণুশক্তি উদ্যোগৰ জনক'। তেওঁ ১৯৬৫ চনৰ জানুৱাৰিত নীলগিৰিৰ কুনুৰৰ এখন হোটেলত কেইটামান বন্ধৰ দিন কটাইছিল। সেই সময়তে মুম্বাইৰ 'পাৰমাণৱিক শক্তি আয়োগ'ৰপৰা তেওঁলৈ টেলিফোনত এটা গুৰুত্বপূৰ্ণ খবৰ আহিছিল। সেই সংবাদ তেওঁৰ ব্যক্তিগত সহকাৰীজনে গ্ৰহণ কৰিছিল যদিও অৱসৰৰ দিন কটোৱা ড°ভাভাক জনোৱা নাছিল। তেওঁ সংবাদটো উটিত থকা ভাভাৰ সহকৰ্মী পদাৰ্থবিজ্ঞানী প্ৰফেছৰ বি. ভি. শ্ৰীকান্তনলৈ (Prof. B.V. Sreekantan, ১৯২৫—২০১৯) প্ৰেৰণ কৰিছিল। শ্ৰীকান্তনে কথাখিনি এটুকুৰা কাগজত লিখি থৈছিল।

পাছত ড° ভাভা গাড়ীৰে উটিলৈ উভতিছিল। ভাভা গাড়ীৰপৰা নমাৰ আগতেই শ্ৰীকান্তনে তেওঁৰ কাষতে বহি সেই গুৰুত্বপূৰ্ণ খবৰ লিখা কাগজ টুকুৰা তেওঁৰ পিনে আগ বঢ়াই দিছিল। ড°ভাভাই কাগজত লিখা কথাখিনি পঢ়ি কৈছিল, "কথাটো গোপন, আৰু কিছুদিন গুপুতেই ৰাখিব লাগিব। কাগজটুকুৰা নষ্ট কৰি পেলাবা।" প্ৰফেছৰ বি. ভি. শ্ৰীকান্তনে ভাভাৰ উপদেশ লগে লগেই পালন কৰিবলৈ গৈ কাগজখন টুকুৰা-টুকুৰ কৰি ফালি পেলালে, আৰু গাড়ীৰ খিৰিকিয়েদি বাহিৰলৈ পেলাই দিলে।



*হোমি জাহাংগিৰ ভাভা*

ভাভাই সেই কথাটো ভাল নাপাই লগে লগে এইবুলি কৈ উঠিছিল — কাগজখন ফালি ভালেই কৰিলা, কিন্তু গাড়ীৰ খিৰিকিৰে টুকুৰাবোৰ পেলোৱাটোহে ভাল কাম নহ'ল। তুমি উটিৰ ৰাস্তাবোৰ আৱৰ্জনাময় কৰিলা। ("While you did well in tearing the paper into bits, you should not have thrown the bits out of the window of the car. You have cluttered the streets of Ooty.")।

*(উৎস ঃ 'Bhabha and his Magnificent Obsessions', by G. Venkataraman)*

ঠিকনা ঃ হাটখোলা, বিদ্যাপুৰ, চাৰিআলি-৭৮৪১৭৬, বিশ্বনাথ, অসম। ফোন ঃ ৯৪৩৫১৮৩৮৮৮
ই-মেইল ঃ baruahkd@gmail.com

*"মানুহৰ কৰ্ম আৰু অভীপ্সাই জীৱন নাটৰ প্ৰধান কাৰক।"*

**ফণীন্দ্ৰ শৰ্মাৰ**

গল্প সংকলন

**আন্ধাৰ নিশা হেঙুলী উষা**

প্ৰকাশক

**চন্দ্ৰ প্ৰকাশ,**

পাণবজাৰ, গুৱাহাটী